# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-July-2026
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। অসম বিধানসভাৰ অধিবেশনৰ ষষ্ঠ দিনা কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা।

২। ৰাজ্যত ৫৬ হাজাৰ ৭২৮জন ডি-ভোটাৰক বিদেশী ন্যায়াধীকৰণে বিদেশী ঘোষণা কৰিছে বুলি মন্ত্ৰী পীযুষ হাজৰিকাৰ বিধানসভাত প্ৰকাশ।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ সাক্ষ্য প্ৰদান প্ৰক্ৰিয়া কাইলৈ পুনৰ অনুষ্ঠিত কৰিবলৈ আদালতৰ সিদ্ধান্ত।

**আৰু**

৪। ইংলেণ্ডৰ বিৰুদ্ধে লৰ্ডছত অনুষ্ঠিত একমাত্ৰ টেষ্টখনত ভাৰতৰ মহিলা ক্ৰিকেট দলটোৰ ২৭০ ৰাণত জয়লাভ।

০০০০০০

অসম বিধানসভাৰ ষোড়শ অধিৱেশনৰ আজি ষষ্ঠ দিনা হাতী-মানুহৰ সংঘাতক লৈ আলোচনা অনুষ্ঠিত হয়। বিধায়ক পদ্ম হাজৰিকাই ভাৰত-ভূটান সীমান্তত বনৰীয়া হাতীৰ উপদ্ৰৱ আৰু হাতী-মানুহৰ সংঘাতক লৈ উত্থাপন কৰা বিষয়টো সন্দৰ্ভত বন আৰু পৰিৱেশ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সদনক তথ্য দিয়ে। পৰহিলৈ সদনত বাজেট আলোচনা হোৱাৰ পাছত অসম বিধানসভাৰ কেন্দ্ৰীয় কক্ষত ৰাজ্যৰ হাতী আৰু বান্দৰৰ উপদ্ৰৱ অধিক হোৱা সমষ্টিসমূহৰ বিধায়কসকলৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হ'ব বুলি বন মন্ত্ৰীগৰাকীয়ে সদনত উল্লেখ কৰে।

ইয়াৰ আগেয়ে বিধায়ক হাজৰিকাই কয়, যে হাতী-মানুহৰ সংঘাতৰ ফলত বিগত তিনি বছৰত ১২০ টা হাতী আৰু কমেও ৩৬৩ জন লোকৰ মৃত্যু হৈছে। বনমন্ত্ৰীগৰাকীয়ে সদনত এই সংঘাত দূৰ কৰাৰ বাবে হাতীৰ উপযোগী খাদ্য যোগানকে ধৰি বিভিন্ন পদক্ষেপ লোৱাৰ পৰিকল্পনা কৰা হৈছে বুলি জানিবলৈ দিয়ে।

আনহাতে, মহাবিদ্যালয়সমূহৰ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম সন্দৰ্ভতো আজি সদনত আলোচনা অনুষ্ঠিত হয়। এই সন্দৰ্ভত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিক্ষক আৰু শ্ৰেণীকোঠাৰ সুবিধা সন্দৰ্ভত এইদৰে কয়-

০০০০০০

অসম বিধানসভা অধিৱেশনৰ আজি ষষ্ঠ দিনা ডি-ভোটাৰ সন্দৰ্ভতো আলোচনা অনুষ্ঠিত হয়। বিধায়ক নুৰুল ইছলামে উত্থাপন কৰা প্ৰশ্নৰ উত্তৰত গৃহ আৰু ৰাজনৈতিক বিভাগৰ মন্ত্ৰী তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ হৈ মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে ৰাজ্যৰ ভোটাৰ তালিকাত সম্প্ৰতি ৯১ হাজাৰ ৩৮৫ জন লোকৰ বিপৰীতে ডি-চিহ্ন লগোৱা হৈছে। ৰাজ্যত ৫৬ হাজাৰ ৭২৮জন ডি-ভোটাৰক বিদেশী ন্যায়াধীকৰণে বিদেশী হিচাপে ঘোষণা কৰিছে বুলিও মন্ত্ৰী শ্ৰীহাজৰিকাই প্ৰকাশ কৰে। তেওঁ কয় যে পৰৱৰ্তী পৰ্যায়ত যিসকল লোকে উচ্চ ন্যায়ালয়ত আবেদন কৰিছে, তাৰ ভিতৰত উচ্চ ন্যায়ালয়ে ৮৩১জনক বিদেশী বুলি ৰায় দিছে। তদুপৰি বিদেশী ন্যায়াধীকৰণে ৬৫ হাজাৰ ১৭১জন, উচ্চ ন্যায়ালয়ে ৪২জন আৰু উচ্চতম ন্যায়ালয়ে তিনিজনক ভাৰতীয় নাগৰিক হিচাপে ঘোষণা কৰে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০

অসম বিধানসভাৰ ষোড়শ অধিৱেশনৰ আজি ষষ্ঠ দিনা মহিলাৰ মাইক্ৰ'ফাইনেন্স ঋণ সন্দৰ্ভত আলোচনা কৰা হয়। ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে মহিলাৰ মাইক্ৰ'ফাইনেন্স ঋণ সন্দৰ্ভত উত্থাপন কৰা বিষয়ত বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিতংভাৱে প্ৰকাশ কৰে। মন্ত্ৰী মল্লবৰুৱাই কয়, যে কোনো বেংকে এগৰাকী মহিলাক মাইক্ৰ'ফাইনেন্সৰ ঋণ এক লাখ ২৫ হাজাৰতকৈ বেছি দিব নোৱাৰে। মাইক্ৰ'ফাইনেন্স উদগনি আৰু ঋণ সকাহ আঁচনিৰ অধীনত ২০২১ চনত ৩৭ টা ঋণ প্ৰদান

কাৰি সংস্থাৰ লগত বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰি ঋণ সকাহ দিয়াকে ধৰি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে সদনত প্ৰকাশ কৰে। এই সন্দৰ্ভত বিত্তমন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

চলিত বৰ্ষত ৰাজ্যত কল্যাণকামী আঁচনিৰ অধীনত ৬০০ কোটি টকা মুকলি কৰি দিয়া হ'ব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ধাৰাবাহিক বিচাৰ প্ৰক্ৰিয়া ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত আজি পুনৰ অনুষ্ঠিত হয়। আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিয়া মতে আদালতত আজি জুবিন গাৰ্গৰ বন্ধু জয়ন্ত কাকতিয়ে সাক্ষ্য প্ৰদান কৰে। অৱশ্যে সময়ৰ অভাৱৰ বাবে আদালতৰ মজিয়াত জয়ন্ত কাকতিৰ সাক্ষ্য প্ৰদান প্ৰক্ৰিয়া সম্পূৰ্ণ নহ'ল। ফলস্বৰূপে আদালতে জয়ন্ত কাকতিৰ সাক্ষ্য কাইলৈ পুনৰ গ্ৰহণ কৰিব। জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰেও সময়ৰ অভাৱৰ বাবে সাক্ষ্য প্ৰদান কৰিব নোৱাৰিলে। আদালতে পামি বৰঠাকুৰৰ সাক্ষ্য প্ৰদানৰ বাবে কাইলৈ দিন ধাৰ্য কৰিছে। আজি আদালতত উপস্থিত হোৱাৰ পাছতেই পামি বৰঠাকুৰে জুবিন গাৰ্গে ন্যায় পাব বুলি সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে।

বাইট (পামি বৰঠাকুৰ)

ফাষ্ট ট্ৰেক আদালতৰ গোচৰৰ ধাৰা আৰোপৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাই দাখিল কৰা এখন আবেদনৰ শুনানি আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰে। অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ হৈ অধিবক্তাই যুক্তি প্ৰদৰ্শন কৰাৰ পাছত আদালতে আবেদনখনৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে। অভিযুক্ত সন্দীপন গাৰ্গে জুবিন গাৰ্গৰ মৃত্যুৰ সমগ্ৰ গোচৰটোক প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ত এখন আবেদন দাখিল কৰে। এই আবেদনখনৰ শুনানি গ্ৰহণৰ পাছত আদালতে অহা ২১ জুলাইত পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে।

০০০০০

যোৰাবাটৰ ন-মাইল আৰু দহ-মাইলত ধাৰাসাৰ বৰষুণৰ ফলত কালি হোৱা কৃত্ৰিম বানৰ পাছত আজি অঞ্চলটোত তীব্ৰ যান-জঁটৰ সৃষ্টি হৈছে। দূৰণিলৈ যাবলগীয়া যান-বাহনসমূহ বোকাময় পথত কেইবাঘণ্টা ধৰি আৱদ্ধ হৈ আছে। বানৰ পাছত যোৰাবাটৰ পৰা খানাপাৰালৈকে অঞ্চলটো বোকাৰে ভৰি পৰিছে। উল্লেখযোগ্য যে কৃত্ৰিম বানৰ ফলত কালি উজনি উত্তৰ আৰু মধ্য অসমলৈ যাবলগীয়া বহু যাত্ৰীয়ে কালি যাত্ৰা বাতিল কৰিবলগীয়া হয়। আৰক্ষীয়ে যোৰাবাটেৰে আহিবলগীয়া যান-বাহনৰ দিশো সলনি কৰে।

গুৱাহাটী অভিমুখে অহা যান-বাহনসমূহ ডিগাৰু হৈ গুৱাহাটীলৈ আৰু গুৱাহাটীৰ পৰা নগাঁও তথা উজনিৰ দিশে যাবলগীয়া যান-বাহনসমূহ কইনাধৰাৰ পৰা নাৰেঙ্গী হৈ যাবলৈ নিৰ্দেশ দিয়া হয়।

ইফালে আজি পুনৰ হোৱা বৰষুণৰ ফলত গুৱাহাটীৰ জালুকবাৰী, ছয়মাইল, বেলতলা, পাণ্ডু খানাপাৰা, সাতগাঁৱকে ধৰি ভালেমান অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হোৱাৰ ফলত স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ আগলি বতৰা অনুসৰি পৰৱৰ্তী ২-৩ দিনত গুৱাহাটী আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত ধাৰাসাৰ বৰষুণৰ সম্ভাৱনা আছে। ইয়াৰ ফলত স্পৰ্শকাতৰ অঞ্চলসমূহত ভূমিস্খলনৰ আশংকাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে পৰিস্থিতি পৰ্যবেক্ষণ কৰি আছে।

০০০০০

অৰুণাচল আৰু উজনি অসমত হোৱা প্ৰবল বৰষুণৰ ফলত ৰঙানদীৰ জলস্তৰ বৃদ্ধি পাইছে। জিলা দুৰ্যোগ প্ৰশমন বিভাগে বানৰ আশংকাত লখিমপুৰ জিলাত সতৰ্কতা জাৰি কৰিছে। প্ৰশাসনে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে যাতায়াত কৰোতে ৰাইজক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

ইপিনে, সোৱণশিৰি নদীৰো জলস্তৰ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত ধেমাজি জিলা প্ৰশাসনে সতৰ্কতা জাৰি কৰিছে। সোৱণশিৰিৰ উৎস আৰু অৰুণাচল প্ৰদেশত হোৱা ধাৰাষাৰ বৰষুণৰ ফলত বৃদ্ধি হোৱা জলস্তৰৰ ফলত ধন-জন ক্ষতিৰ আশংকাত সোৱণশিৰি নদী বা ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত বাস কৰা বাসিন্দাসকলক সজাগ হৈ থাকিবলৈ প্ৰশাসনে এই সতৰ্কতা জাৰি কৰিছে। লগতে পৰৱৰ্তী জাননী নিদিয়ালৈকে নদী বা নদীৰ পাৰ অঞ্চলত যাবলৈ বাধা আৰোপ কৰিছে।

০০০০০

চৰাইদেউ জিলাৰ লাকুৱা বাগান তিনিআলিৰ ভাজনী পথাৰত অ' এন জি চিৰ গেছ পৰিবাহী পাইপলাইন ফাটি কালি নিশাৰ পৰা গেছ নিৰ্গত হৈ থকা ঘটনাই অঞ্চলটোত আতংকৰ সৃষ্টি কৰিছে। অ' এন জি চিৰ লাকুৱা তৈল ক্ষেত্ৰৰ অন্তৰ্গত বাগান তিনিআলিৰ কিষ্ট বস্তি নিবাসী জীতেন কাহাৰ নামৰ লোকজনৰ বাৰীত পাইপ ফাটি গেছ নিৰ্গত হয় আৰু নিশাৰ ভাগত গেছৰ শব্দ আৰু গোন্ধ বিয়পি পৰে। অঞ্চলটোৰ ৰাইজে অগ্নিকাণ্ড আৰু বিস্ফোৰণৰ আশংকাত কৰ্তৃপক্ষক খবৰ দিয়াত আজি দিনৰ ভাগত অ' এন জি চিৰ এটা কাৰিকৰী দল ঘটনাস্থলীত উপস্থিত হয়। কৰ্তৃপক্ষই মাটি খান্দি গেছ নিৰ্গমনৰ মূল উৎস বিচাৰি উলিয়াবলৈ চেষ্টা কৰে যদিও সেয়া বিফল হয়। অঞ্চলটোত এতিয়াও গেছ নিৰ্গমন হৈ থকাৰ বাবে নিৰাপত্ত ব্যৱস্থা কটকটীয়া কৰা হৈছে। অঞ্চলটোৰ ৰাইজে জনবসতিপূৰ্ণ অঞ্চলত থকা আওপুৰণি পাইপসমূহ সলনি কৰিবলৈ কৰ্তৃপক্ষক দাবী জনাইছে।

০০০০০

বিশ্বনাথ জিলাৰ গহপুৰত বিধায়ক উৎপল বৰাই আজি চুতীয়া উন্নয়ন পৰিষদৰ পুঁজিৰ দ্বাৰা এটা অতিথি গৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। বীৰাংগনা সতী সাধনী সমন্বয় ক্ষেত্ৰত স্থাপন কৰা এই অতিথি গৃহৰ লগতে প্ৰয়াত কোযেশ্বৰ বৰুৱা গ্ৰন্থাগাৰ আৰু প্ৰতিমূৰ্তি নিৰ্মাণৰ আধাৰশিলাও স্থাপন কৰা হয়। এই অনুষ্ঠানত চুতীয়া উন্নয়ন পৰিষদৰ অধ্যক্ষ কুল কমল বৰুৱাৰ লগতে পৰিষদৰ অন্যান্য বিষয়ববীয়া আৰু ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ ২০২৬-২৭ শিক্ষাবৰ্ষৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তিৰ বাবে সাধাৰণ প্ৰৱেশ পৰীক্ষা অহা ১৮ জুলাইত অনুষ্ঠিত হ'ব। এই পৰীক্ষা ৰাজ্যৰ মুঠ ১৮ টা কেন্দ্ৰ ক্ৰমে গুৱাহাটী, ডিব্ৰুগড়, শিলচৰ, যোৰহাট, তেজপুৰ আৰু কোকৰাঝাৰত তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'ব। আবেদনকাৰীসকলে তেওঁলোকৰ প্ৰৱেশ পত্ৰসমূহ বিশ্ববিদ্যালয়ৰ ৱেবছাইট www.aau.ac.inৰ পৰা ডাউনলোড কৰিব পাৰিব। বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক দামোদৰ বৰ্মনৰ দ্বাৰা স্বাক্ষৰিত এটা প্ৰেছ বাৰ্তাযোগে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই জনাইছে যে, বিশেষ কাৰিকৰী কাৰণত গুৱাহাটীৰ ৰাণীৰ পাটগাঁৱত অৱস্থিত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰটো খানাপাৰাৰ ৰেচম নগৰৰ বড়োলেণ্ড অতিথি শালাৰ সমীপৰ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় কেন্দ্ৰলৈ স্থানান্তৰ কৰা হৈছে। আবেদনকাৰীসকলক পুনৰ উপলব্ধ প্ৰৱেশ পত্ৰ কৃষি বিশ্ববিদ্যালয়ৰ ৱেবছাইটৰ পৰা ডাউনলোড কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০

ইংলেণ্ডৰ বিৰুদ্ধে লৰ্ডছত অনুষ্ঠিত একমাত্ৰ টেষ্ট মেচখনত ভাৰতৰ মহিলা ক্ৰিকেট দলটোৱে ২৭০ ৰাণত জয়লাভ কৰিছে। টেষ্টখনত জয়ৰ বাবে ৪৫৭ ৰাণৰ লক্ষ্যৰে খেলি ঘৰুৱা দল ইংলেণ্ডৰ আজি দ্বিতীয় ইনিংছ ১৮৬ ৰাণতে সমাপ্ত হয়। ইংলেণ্ডৰ হৈ এমী জোনছে ৫৪ আৰু ছফী একলেষ্টনে ৫০ ৰাণ কৰাৰ বাহিৰে বাকী বেটাৰসকল ব্যৰ্থ হয়। ভাৰতৰ হৈ স্নেহ ৰাণাই চাৰিটা তথা ছায়ালি সাতঘেৰে, ক্ৰান্তি গৌড় আৰু দিপ্তী শৰ্মাই দুটাকৈ উইকেট ভগাই লয়। টেষ্টখনত দুয়োটা ইনিংছ মিলি সাতটা উইকেট দখল কৰা ক্ৰান্তি গৌড়ে মেন অব দ্য মেচৰ পুৰস্কাৰ লাভ কৰে। উল্লেখযোগ্য যে ভাৰতে টেষ্টখনৰ প্ৰথম ইনিংছত ২৮৫ ৰাণ কৰাৰ লগতে সাত উইকেটৰ বিনিময়ত ৩৪১ ৰাণ কৰি দ্বিতীয় ইনিংছ ঘোষণা কৰিছিল। আনহাতে ইংলেণ্ডৰ মহিলা দলটোৰ প্ৰথম ইনিংছ ১৭০ ৰাণত সমাপ্ত হৈছিল।

০০০০০

সমাপ্ত